# Telephone conversation between Prime Minister and Prime Minister of Thailand

May 01, 2020

# ভাৰত আৰু থাইলেণ্ডৰ প্ৰধানমন্ত্ৰীৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

মে’ 01, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী মহামান্য জেনেৰেল (অৱসৰপ্ৰাপ্ত) প্ৰয়ুট চান-অ-চাৰ সৈতে টেলিফোন যোগে বাৰ্তালাপত মিলিত হয়।

প্ৰধানমন্ত্ৰীয়ে 2019 চনৰ নৱেম্বৰ মাহত এছিয়ান আৰু প্ৰাসংগিত শীৰ্ষ সন্মিলনসমূহত অংশগ্ৰহণ কৰাৰ বাবে বেংকক ভ্ৰমণৰ প্ৰসংগক স্মৰণ কৰে, আৰু লগতে থাইলেণ্ডৰ ৰাজপৰিয়ালৰ সদস্যসকল আৰু থইলেণ্ডবাসীক শুভেচ্ছা জ্ঞাপন কৰে।

দুয়োগৰাকী নেতাই ক’ভিড-19 মহামাৰীৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত পৰস্পৰে দেশে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে মত বিনিময় কৰ।

এই মহামাৰীৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত আঞ্চলিক আৰু বৈশ্বিক সহযোগিতাৰ গুৰুত্বৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। থাইলেণ্ডৰ ঔষধৰ চাহিদা পূৰণৰ কাৰণে প্ৰধানমন্ত্ৰী মোডীয়ে ভাৰতৰ পক্ষৰ পৰা সহায় কৰিব বুলি থাইলেণ্ডৰ প্ৰধানমন্ত্ৰীক আশ্বাস দিয়ে।

দুয়োগৰাকী নেতাই দুয়োখন দেশৰ গৱেষক, বিজ্ঞানী আৰু উদ্ভাৱনকাৰীৰ মাজত ব্যাপক সহযোগিতাৰ প্ৰতি সহমত পোষণ কৰে।

দুয়োখন দেশৰ নাগৰিকসকলৰ প্ৰতি আগবঢ়োৱা সুবিধাৰ প্ৰশংসা কৰি নেতা দুগৰাকীয়ে আগলৈও ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ প্ৰতিশ্ৰুতি দিয়ে।

থলুৱা তথা প্ৰাচীন সাংস্কৃতিক যোগসূত্ৰৰ লগতে মূল্যৱান সামুদ্ৰিক অংশীদাৰ হিচাপে থাইলেণ্ড ভাৰতৰ বৰ্ধিত চুবুৰীয়া দেশ।

**নতুন দিল্লী**
**মে’ 01, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.